**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

---

**নং ঃ ৪/২০২০**

**চতুৰ্থ দৈজিং উৎসৱত অংশ গ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে**

## আই নদীৰ পাৰত অনুষ্ঠিত দৈজিং উৎসৱ এক মহা মিলনৰ উৎসৱ ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৯ ডিচেম্বৰ ঃ** 'পৃথিৱীৰ সকলো সভ্যতা নদীৰ পাৰতে গঢ় লৈ উঠা। নদী সমূহ হ'ল সভ্যতা সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ। সেয়েহে আই নদীৰ পাৰত অনুষ্ঠিত দৈজিং উৎসৱ এক মহা মিলনৰ উৎসৱ হিচাপে পৰিগণিত হৈছে। আগন্তুক দিনত এই উৎসৱক বিশ্ব পৰ্যটনৰ উৎসৱ হিচাপে গঢ়ি তোলাৰ দিশত আমি সকলোৱে মিলিত প্ৰচেষ্টা ল'ব লাগিব।' আজি চিৰাং জিলাৰ আই নদীৰ পাৰৰ হাগ্ৰামা দলঙৰ কাষত অনুষ্ঠিত চতুৰ্থ দৈজিং উৎসৱত অংশ গ্ৰহণ কৰি প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

উল্লেখ্য যে চিৰাং জিলাৰ আই নদীৰ পাৰত পৰ্যটক সকলৰ আকৰ্ষণৰ কেন্দ্ৰ বিন্দু হিচাপে পৰিগণিত হোৱা এই উৎসৱত বিভিন্ন জাতি-জনগোষ্ঠীৰ কলা-কৃষ্টি প্ৰদৰ্শন, সাংস্কৃতিক অনুষ্ঠান, ক্ৰীড়া তথা বিভিন্ন বিপণী ইত্যাদিৰ সমাহাৰ ঘটিছে। যোৱা ২৭ ডিচেম্বৰৰ পৰা আৰম্ভ হোৱা এই উৎসৱৰ সামৰণি পৰিব অহা ৭ জানুৱাৰীত।

ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে বিটিএডি অঞ্চল এতিয়া শান্তিৰ জৰিয়তে দ্ৰুত প্ৰগতিৰ দিশত আগুৱাই গৈছে। মুখ্যমন্ত্ৰীয়ে আগন্তুক দিনটো এই শান্তি, সম্প্ৰীতি আৰু ভাতৃত্বৰ ধাৰা অক্ষুণ্ণ ৰাখি প্ৰগতিৰ পথ অধিক শক্তিশালী কৰাৰ বাবে বিটিএডি অঞ্চলত বসাবস কৰা সকলো জাতি-জনগোষ্ঠীৰ জনসাধাৰণক আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে মানুহৰ সভ্যতা, সংস্কৃতি আৰু বিকাশৰ দিশত নদী সমূহে আগবঢ়াই অহা বলিষ্ঠ অৰিহণাৰ কথা কৈ অসম এই দিশত এক সৌভাগ্যশালী ৰাজ্য বুলিও কয়। এই অসমৰ বুকুৰ বৰাক আৰু ব্ৰহ্মপুত্ৰৰ উপৰি ইয়াৰ নৈ-উপনৈ সমূহৰ বিশালতা, মহত্ব, গুৰুত্ব আৰু তাৎপৰ্য আমি সকলোৱে হৃদয়ংগম কৰাৰ লগতে এই নদী সমূহে বহন কৰা প্ৰচুৰ সম্পদ, সম্ভাৱনা আৰু শক্তিক উপযুক্তভাবে ব্যৱহাৰ কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জল সংৰক্ষণৰ ওপৰত যি গুৰুত্ব আৰোপ কৰিছে সেই দিশৰ প্ৰতি লক্ষ্য ৰাখি নৈ সমূহক প্ৰদূষণমুক্ত হিচাপে ৰখাৰ দায়িত্ব সকলোৱে গুৰুত্ব সহকাৰে ল'ব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে ব্ৰহ্মপুত্ৰ নদীৰ এখন শক্তিশালী উপনৈ আই নদীৰ পাৰত অনুষ্ঠিত হোৱা এই উৎসৱে ভৱিষ্যতে আৰু অধিক দেশী-বিদেশী পৰ্যটকক আকৰ্ষিত কৰিব বুলিও কয়। ভাৰতৰ অন্যান্য ঠাইত নদী সমূহৰ বিষয়ে যেনেদৰে গুণানুকীৰ্তন কৰা হয়, ঠিক তেনেদৰে অসমৰ নদী সমূহকো আমি উপযুক্ত গুৰুত্ব প্ৰদান কৰি ইয়াৰ জৰিয়তে আমাৰ অৰ্থনৈতিক বুনিয়াদ শক্তিশালী কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। নদী সমূহে বহন কৰা জল সম্পদৰ সম্ভাৱনীয়তাক যদি উপযুক্তভাৱে কামত খটুওৱা হয়, তেতিয়াহ'লে অসম বিশ্বৰ বুকুতে এখন শক্তিশালী ৰাজ্য হিচাপে পৰিগণিত হ'ব বুলিও তেওঁ কয়।

ভাষণ প্ৰসগংত মুখ্যমন্ত্ৰীয়ে বিটিচি অঞ্চলত শান্তি আৰু সম্প্ৰীতিৰ বাতাবৰণ অব্যাহত ৰাখি দৈজিং উৎসৱৰ দৰে উৎসৱ সফলতাৰে অনুষ্ঠিত কৰাৰ বাবে বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীকে ধৰি এই উৎসৱৰ লগত জড়িত সকলোকে ধন্যবাদ জনায়। এই উৎসৱ থলীলৈ অহা প্ৰতিগৰাকী দৰ্শনাৰ্থীয়ে এক ইতিবাচক বাৰ্তা কঢ়িয়াই নিব পাৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই উৎসৱ এতিয়া কেৱল মাত্ৰ অসমৰে নহয়, সমগ্ৰ ভাৰতবৰ্ষতে ভালদৰে জনজাত হৈছে আৰু ইয়াৰ জৰিয়তে শান্তি, ভাতৃত্ববোধৰ এক বলিষ্ঠ পৰিৱেশৰো সৃষ্টি হৈছে বুলি তেওঁ কয়। সমগ্ৰ ৰাজ্যখনক শক্তিশালী কৰাৰ দিশটো এই উৎসৱে গুৰুত্বপূৰ্ণ ভূমিকা ল'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

বিটিচি উপ-প্ৰধান খাম্পা বৰগয়াৰীয়ে আদৰণি ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত পৰ্যটন মন্ত্ৰী চন্দন ব্ৰহ্ম, অসম বিধান সভাৰ প্ৰাক্তন অধ্যক্ষ তথা হাউছফেডৰ অধ্যক্ষ ৰঞ্জিত কুমাৰ দাস, বিধায়ক সকল ক্ৰমে প্ৰশান্ত ফুকন, মনেশ্বৰ ব্ৰহ্ম, মহেশ্বৰ বসুমতাৰী, থানেশ্বৰ বসুমতাৰী, জ্যোতি চিত্ৰবনৰ অধ্যক্ষ পৱিত্ৰ মাৰ্ঘেৰিটা, অসম পৰ্যটন উন্নয়ন নিগমৰ উপাধ্যক্ষ নৱদ্বীপ কলিতা, বি টি এ ডিৰ প্ৰধান সচিব বীৰেন চন্দ্ৰ ফুকনকে ধৰি বহু সংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**বঃভাঃ**
**৫/০১/২০২০**